

# উজায় আছে মাটির তেজ

বাণী কান্ত গোস্বামী

**UJAI AAHE MATIR TEJ :**
*A Collection of Assamese Poems*
*Written by BANIKANTA GOSWAMI,*
*Published by N.L. PUBLICATION*
*Panbazar, Guwahati.*
*Price Rs. 35.00*

---

প্ৰকাশক ঃ এন. এল. পাব্লিকেচন
পাণবজাৰ, গুৱাহাটী
প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০০৬ চন
প্ৰচ্ছদ ঃ ধনঞ্জয় শৰ্মা
মূল্য ঃ ৩৫.০০ টকা
গ্ৰন্থস্বত্ব ঃ লেখকৰ
ডি. টি. পি. ঃ জয়ন্ত বড়া
মুদ্ৰণ ঃ অংশুমান এচচিয়েটছ
ভৰলুমুখ, গুৱাহাটী - ৯

Donated to
Pachim Guwahati College
library
by B. K. Goswami,
Prof. & Head, Physics,
AEC.

"কবিতাৰ কোনো কালেই পৰাজয় নাই। মানৱতাৰূপী বিশাল গছজোপাৰ কবি এখিলা পাত। এই কবি নিৰ্জনতা আৰু জনতা উভয়ৰে প্ৰতি দায়বদ্ধ।"

— নাজিম হিক্‌মত

# সূচীপত্ৰ


কেৱল কবিতাৰ বাবে /৯
মাটিৰ তেজেৰে গজালি মেলে তৰুৱা কদম /১০
মূলত ঃ মই এজন কবি /১১
বিপ্লৱ /১২
মহাকাব্যৰ পাণ্ডুলিপি /১৩
অৰণ্যৰ আন্ধাৰ /১৪
কবিতা /১৫
তোমাৰ উদ্ভাষিত দীপ্তিত মোৰ জীৱন /১৭
মানুহ /১৯
প্ৰেম /২০
অন্ধকাৰত নিজৰ মুখ /২১
সেউজীয়াবোৰৰ ছায়াই /২২
গ্ৰন্থমেলা /২৩
বন্ধ হওক উন্মাদ যুদ্ধ /২৪
স্বাগতম /২৬
সন্ধ্যাৰ আড্ডা /২৮
তুমি আহিলেই আমোলমোলাই যায় /২৯
ইছমাইল তুমি কুশলে থাকা /৩১
আহা গৱেষণাগাৰলৈ যাওঁ /৩৩
আহা বিশালতৰ হওঁ /৩৪

## সূচীপত্ৰ


বিৰামহীন যাত্ৰা /৩৫
ছিলঙত এদিন /৩৬
জীৱনে যেতিয়া হেৰুৱাইছিল ঠিকনা /৩৭
স্মৃতিয়ে টানি নিয়ে অহৰহ তেওঁৰ কাষলৈ /৩৮
বাৰুদৰ গোন্ধত এটা দিন আৰু ৰাতি /৩৯
স্বপ্ন, প্ৰেম আৰু হৃদয়াবেগ /৪০
বিষ্ণু ৰাভা /৪১
কবিতা আকৌ মোৰ ঘৰলৈ ঘূৰি আহিল /৪৩
আজি তোমাক মই সময় দিব নোৱাৰিম /৪৫
আজি মই কবিতা লিখিম /৪৭
মই তুলি ধৰো প্ৰেমৰ পতাকা /৪৯
মোৰ দেশ /৫০
ৰাতিৰ বেদনা /৫২
বিষন্নতা /৫৪
জয় জয়ন্তী /৫৫
প্ৰেয়সী /৫৬
মই মোৰ মাজত /৫৭
নাৰী /৫৮
তিনিটা কবিতা /৫৯
জীৱন আৰু কবিতা /৫৯
জোনাক আৰু বসন্ত /৬০


### কেৱল কবিতাৰ বাবে

কেৱল কবিতাৰ বাবে
ঢালি দিব পাৰো মই
জীৱনৰ অমূল্য মুহূৰ্ত কিছুমান

কবিতাৰ পৰাই ধাৰ কৰো
আমোলমোলাই যোৱা ফুলৰ সৌৰভ
আৰু মোৰ ধমনীৰ তেজ
কবিতা মোৰ বাবে
নাতিশীতোষ্ণ জলবায়ু
মুকলি আকাশ বতাহ
তাতে মই নিতে নৱজন্ম লওঁ

কবিতাৰ স্পৰ্শ পালেই মই যাত্ৰা কৰো
এটা জীৱনৰ পৰা আন এটা জীৱনলৈ
নিজকে নিৰাভৰণ কৰি দি
সত্যক স্পৰ্শ কৰি চাবলৈ কওঁ

কবিতাৰ পৰশ পালেই
মই প্ৰেম হৈ উঠো
সুন্দৰ সপোনৰ দৰে হৈ উঠো
বন্ধ দুৱাৰৰ সপোনৰ
খিৰিকীবোৰ খুলি দি
প্ৰবাহিত বতাহত আন্দোলিত হওঁ

পাহাৰৰ কাষেৰে বৈ যোৱা
নদীয়েদি উটি যায় মোৰ শোক আৰু যন্ত্ৰনা

জীৱনৰ সকলো পাপবোধ
আৰু জ্বালাময় কামনা
কবিতাৰ প্ৰশান্ত হাতেৰে
নিৰাময় কৰি আহিছো মই

কবিতা ! তোমাৰ নদ-নদী পৰ্বতময় মানচিত্ৰৰ
মই এজন অনুৰাগী পাঠক
মোক নিতে স্বাদ লবলৈ দিয়া
তোমাৰ নিৰ্মোহ জীৱনৰ।

## মাটিৰ তেজেৰে গজালি মেলে তৰুৱা কদম

বাট'চৰাত তৰুৱা কদম এটা পুতি থলো
ই গজি এদিন গছ হব
আমোলমোলাই যাব চাৰিওকাষে
তৰুৱা কদমৰ গোন্ধ

গছৰ তলত ছাঁ
তাত ঘাঁহ-বন গজিব
তপত ৰ'দত ঘামি জামি
বাটৰুৱাই ঘাঁহ-বনত বহি
গছত আউজিব
ছাঁ তেওঁৰ বাবে পোহৰ

কি নাই গছ-পাতৰ বুকুত
উজ্জ্বল সপোন জীয়াগান ঘাটমাউৰা প্ৰেম

কুৰুৱা চৰাইৰ বাঁহ তাতে
পোৱালীবোৰ বুকুত লৈ মৌ সনা কথা
দোকমোকালিতে কদম জোপাই
চৰাই হাল বোৰক
আকাশলৈ ঘূৰাই পঠিয়াব
তৰুৱা কদমৰ গাত
তৰাৰ গজালি হৈ
উজায় আহে মাটিৰ তেজ



## মূলত ঃ মই এজন কবি

কবি এক অনাবিল আনন্দৰ উৎস
তেওঁ মূলতঃ প্ৰেম আৰু বিপ্লৱ
মনুষ্যত্বৰ এক আয়তনহীন জলাধাৰ
ভাষাৰ সন্তান সভ্যতা

মইয়ো মূলতঃ এজন কবি
সেয়ে বুকুখন হৈ থাকে
বীৰৰ দৰে দীপ্য মান
কলম মোৰ সাহস আৰু সম্ভাৱনাৰে
জ্যোতিস্মান
হৃদয়ৰ বিপুল স্পন্দনময় প্ৰেমে
উদ্দীপ্ত কৰি থয় শান্তিৰ
অক্ষয় প্ৰতিমা

কবি যেন বাৰিষাকাতৰ
ৰাতিৰ ক্ৰন্দনত
স্নিগ্ধ জোনাক
কবিতা এফালে সেউজী সুগন্ধ
আনফালে ৰক্তৰ পলসত
ডুবি যোৱা প্ৰতিটো দুখৰ আঁচোৰ

শব্দ, বতাহ আৰু পানীৰ দৰে
হৃদয় কবিৰ ঠিকনা
তেও জীৱন আৰু মৃত্যুৰ মাজত
নক্ষত্ৰৰ দৰে স্থিৰ হৈ থাকে
হৃদয় চুলে কবি হৈ উঠে
শান্তিৰ সপক্ষে স্বোচ্ছাৰ
লিখনিত নিমগ্ন কবিৰ প্ৰতিটো পল
স্বৰ্ণোজ্বল প্ৰতিভাৰ সময়

ভয়ঙ্কৰ অন্ধকাৰ দিগন্তৰ ক্ৰন্দনটো
তেজৰ দৰে জুইৰ দৰে
কবিৰ হৃদয়ত ওলমি থাকে বসন্ত।

## বিপ্লৱ

দুখৰ সমুদ্রত
অত্যাচাৰিত মানুহৰ নিৰ্বাক মূৰ্ত্তি
শিলত শিল বগৰাই
হুমুনিয়াহত উচুপি উঠে বিলীয়মান বিশ্বাস

তেজৰ দৰে ফুলি উঠো উঠো কৰে
যেতিয়া জীৱনৰ প্ৰশস্ত আন্দোলন
হাঁহি আৰু প্ৰেম
কৰ্কশ চাবুকৰ আঁচোৰত
ভয়ংকৰ অন্ধকাৰত
নিমিষতে ব্যপ্ত হৈ পৰে
যন্ত্ৰণাৰ চিৎকাৰ

উদ্যত কৃপাণ চলাই
হত্যাৰ লেলিহান শিখাৰে
বন্ধ কৰে মুখৰ সংলাপ

আত্মসমৰ্পণ নকৰাৰ অপৰাধত
যেতিয়া ফাঁচি দিবলৈ ওলায়
চহৰৰ ৰাজপথত

তেতিয়াই চুৰিৰ ধাৰেৰে
ৰক্তাক্ত কৰি সময়ক
অন্ধকাৰকো আলোড়িত কৰি বাজি উঠে
অবিৰল আলোৰ দ্যোতনা

সূৰ্য্যস্নাত পুৱাৰ দৰে
স্ফটিক জলেৰে বিধৌত কৰি অমল চিন্তাৰ
শস্য সোণালীক
আহে গৰ্জনমুখৰ বিপ্লৱ

অন্তৰৰো অন্তঃস্থানত ঘাঁ হৈ বিন্ধা
নিৰ্দয় অত্যাচাৰ আৰু ৰক্তপাতৰ পাছত
ই যে হিৰন্ময় সময়।



## মহাকাব্যৰ পাণ্ডুলিপি

জীৱনৰ এই নিশ্চিদ্ৰ নীৰৱ
ভয়াবহতাৰ মাজতো
নীৰৱে বোধন হয় কুন্তীৰ জৰায়ুত
মহাজীৱনৰ মহাসত্যৰ

হে কাল আৰু কালাতীতৰ স্নাতক
প্ৰেম আৰু প্ৰেমাতীতৰ সাধক
ক্ৰান্তিকাৰী সুনীল কৃষ্ণ
পিতৃৰ চৰণ চুই অজ্ঞাতবাসলৈ যোৱা
হবনে সেই সন্তানৰ স্বপ্ন সাৰ্থক

ধৃতৰাষ্ট্ৰৰ মহাসভাত লাঞ্চিতা
হেজাৰ দ্ৰৌপদীৰ দুখৰ নিজৰাৰ
দৰে বই থকা চকুৰ সৰস্বতী পানীত
ফুলিবনে জ্যোতিৰ পদুম

মানবতাৰ কলিজা ভাঙোতা
সেই হিংসাৰ শিলবোৰ
কঁপি উঠিবনে থৰ থৰে
সুদৰ্শন গাণ্ডীৱৰ বিৰাট টঙ্কাৰত

হে মহাকবি!
আমি হেৰুৱাও নিতে
অৰ্বাচীন এই বিৰাট নগৰীত
অৰণ্যৰ সেউজী সুৰভি
বলি হয় জীৱনৰ, জীবিকাৰ
খহি পৰে চোলাৰ ফুটুকীয়া বুটাম

নশ্বৰ এই জীৱনত তথাপি নীৰৱে বোধন হয়
অমৃতৰ সন্তানৰ

কবিতা জীয়াই থাকে
আৰু জীয়াই থাকে
কবিতাৰ শুকান চিয়াহী

চহৰৰ কবি মই
লিখিছো নীৰৱে জ্বলাই ৰাতিৰ মমবাতি
মহাকাব্যৰ এই পাণ্ডুলিপি

## অৰণ্যৰ আন্ধাৰ

*(২০০২ চনৰ গুজৰাটৰ সাম্প্ৰদায়িক সংঘৰ্ষত জুৰুলা হোৱা সকলোলৈ)*

কিছুদিনৰ পৰা
মোৰ হৃদয়, চকু, অন্তৰাত্মা শোকাকুল

মানুহৰ পৰস্পৰ জিঘাংসাৰ ছবিবোৰত
মোৰ সপোনৰ সেউজীয়াখিনি
জোনাকত গলি থকা হৃদয়খন
বিশ্বাসৰ স্তম্ভবোৰ
নৰিয়াত পৰা নল-খাগৰীৰ দৰে

হেৰুৱাও প্ৰাৰ্থনামগ্ন বুদ্ধক
হেপাহেৰে সজা মোৰ সৰু জুপুৰিটো
ভালপোৱাৰ বিৰহৰ যন্ত্ৰণাত
ধুমুহাৰে ক্ষতবিক্ষত

ধপলিয়াই ফুৰো
শোকআৰু যন্ত্ৰণাবোধত
কাতৰ হৈ উঠে উশাহ
ৰাতিৰ ৰেলগাড়ীৰ
চিৎকাৰৰ দৰে
বিয়পি যায় বিষাদ

প্ৰাচীন অৰণ্যৰ আন্ধাৰত
অস্বচ্ছ মুখ
প্ৰিয়জনৰ হৃদয় হেৰাই
নিশ্চিদ্ৰ কুঁৱলীত



## কবিতা

কবিতাৰ শৰীৰ অত্যন্ত নিটোল
অজন্তা গুহাৰ ভাস্কৰ্য্য খোদিত যেন তাত
পাহাৰ সমতল অতি দীঘল এটা ধাৰ
ৰূপৰ দৰ্শনে কবিতাৰ
বোৱায় ভাৱৰ বিশাল জোৱাৰ
নকও বুলিও কয় বহু কথা

কবিতা সৰৱ ভাষাৰ গুঞ্জন
গছে বনে ফুৰা চৰাইজাকে
বিহু মাৰি ফুৰে তাত

তেজে ফুলে সমান কবিতাত
ৰঙা তুলা ধুনে পছোৱাই
কোমল হৈ পৰে হিয়াৰ কপাহ

কবিতাৰ সৈতে কথা পাতিলে
মই নিজকে হেৰুৱাই পেলাও
তাই মোক আলফুলকৈ ধৰে
পলাশ, শিমলু কাঞ্চনৰ তেজত ডুবোৱা গোলাপৰ আঙুলিয়ে
বিয়পাই চৌদিশে
নিৰ্জনতাৰো কণ্ঠস্বৰ

পাওঁ বুলি দেখা
লয়লাসে নাচি থকা কবিতাক
দেখা পাওঁ ত্ৰিধাৰাৰ
নেদেখা ধাৰাটো
নদীৰ সোতত উটি যোৱা কবিতাই কয়
পলস প্লাবিত দুয়োপাৰৰ
গৰ্ভিনী পথাৰৰ কথা

কবিতাক চুলেই পাওঁ
প্ৰেমৰ প্ৰথম স্পৰ্শৰ মাদকতা
কবিতাৰ প্ৰেমে
পুৰণি পৃথিৱীত আনে
ৰ'দৰ উজ্জ্বল পোহৰৰ সোঁত

কবিতা পুৰণি হাহাকাৰৰ বিপৰীতে
নতুন পৃথিবীৰ কল্লোল
নিত্য নতুন ভবিষ্যৎ



## তোমাৰ উদ্ভাসিত দীপ্তিত মোৰ জীৱন

*(কবি শঙ্খ ঘোষলৈ)*

আকৌ সেইবাৰ কলকাটালৈ যাওঁতে
তোমাৰ ঘৰলৈ গৈছিলো

তোমাৰ ড্ৰইংৰুমত বহি
যেতিয়া সশব্দ হৈ উঠিছিলো
ভাবিছিলো লগত সনন্ত তাঁতী থকা হলে
সনন্তই মোক কৈছিল
সপোনৰ দৰে কবিতাও
সপোনময়তাত দগ্ধ নে

ঘোষদা, কথাৰ মাজতে তুমি যেতিয়া
মাজে মাজে নীৰৱ হৈ গৈছিলা
মই ভাৱিছিলো তুমি
কবিতাৰেই প্ৰাৰ্থনা কৰিছা
কাৰণ আয়েকৈছিল
নীৰৱতাই প্ৰাৰ্থনা

তোমাৰ পঢ়া কোঠালৈ
যেতিয়া আমন্ত্ৰণ কৰিছিলা
দেখিছিলো তোমাৰ স্বৰচিত
আৰু বিভিন্ন মাৰমুখী কবিৰ
কবিতাই কিদৰে তাল
আৰু ছন্দৰ মহড়া দিছিল
লাস্যময়ী কবিতাই জুই
আৰু তেজ একাকাৰ কৰি মোক কৈছিল
মানুহ হোৱা, মানুহৰ দৰে মানুহ হোৱা

তোমাৰ ঘৰৰ পৰা ওলাই অহাৰ পাছতো
অনুভৱ হৈছিল তুমি যেন
পাৰ্ক ষ্ট্ৰীত ৰবীন্দ্ৰ সৰণী কালীঘাট হৈ
মোৰ হাতত হাত ধৰি আগবাঢ়িছা
খুব ভাল লাগিছিল জানা
তোমাৰ উদ্ভাষিত দীপ্তিত

নিজকে সমৰ্পন কৰিছিলো
জীৱনবোধত প্ৰজ্ঞাৰ ফালে
মাতালৰ দৰে মতলীয়া হৈ উঠিছিলো

তোমাৰ ঘৰলৈ আকৌ যাম ঘোষ দা
তুমি মোক চিঠি দিবা।

ৰচনা কাল (১২-১-৯৪)



## মানুহ

মানুহ আজিও মোৰ বাবে বিস্ময়
শব্দ অথবা শব্দহীনতাত মানুহৰ অস্তিত্ব
পৃথিবীৰ প্ৰাচীনতাৰ বুৰঞ্জী তেওঁৰ
আঙুলিৰ লেখত
শোৱে তেওঁ জ্ঞান অজ্ঞানৰ বিচনাত
টোপনিত তেওঁ সপোন দেখে
অবিস্মৃত ৰহস্যৰ
মানুহ কেতিয়াবা দয়াশীল/ক্ষুধাতুৰ/প্ৰাণদায়িনী
কেতিয়াবা লম্পট।
কেতিয়াবা গৃহস্থ। সন্তানৰ। পিতৃ-মাতৃ।
পুৰুষ বা নাৰী। প্ৰেমিক । অভিনেতা
তেওঁ কেতিয়াবা স্বাৰ্থপৰ । বিবেকহীন। মূল্যবোধৰ বিৰোধী।
কেতিয়াবা অনুভূতিশীল কবি। হিন্দু-মুছলমান আৰু খৃষ্টান।
তেওঁৰ বিচৰণভূমি হৃদয় তীব্ৰ আবেদনময়ী সময়ে সময়ে।
তেওঁৰ ঘৰ আছে। অৰণ্য, নদী আৰু সাগৰৰ পৰা
তেওঁ ধাৰ কৰে জীৱনবোধ
ৰাজনীতি তেওঁৰ জীৱনৰ এটা ধাৰ
ছাঁ লয় কলিজাৰ
নিৰীহ অথচ হিংস্ৰ মানুহ
জাতীয়তাবাদী হৈও আন্তৰ্জাতিক স্বাধীনতাপ্ৰিয়
পচা হিউমাচৰে তেওঁ লালন কৰে জীৱন
চকুৰ ৰেটিনাৰ জলঙাৰে তেওঁ জুমি চায়
প্ৰচীন পৃথিবী
লালন কৰে নতুন পৃথিৱী
বিপৰ্যই বগাই অহা মানুহ
সুখ-দুখ আৰু প্ৰতিবাদৰ সমষ্টি।

## প্ৰেম

প্ৰেম ইমানেই স্নিগ্ধ
যে জোনৰ পোহৰো শেঁতা
তাৰ পোহৰত

প্ৰেম শীতৰ এখন সুশীতল নদী
কবিৰ স্তব্ধ হৃদয়

মৌমাখিৰ মধুৰ গুঞ্জন
চেতাৰৰ অপূৰ্ব্ব ঝংকাৰ

প্ৰেমে নাজানে জাতি, বৰ্ণ
ভাষাৰ মিছা আৱৰণ
তাৰ দ্যুতি শিহৰিত আবেগত
জ্বলি উঠে হেজাৰ প্ৰাণত
এশ ভল্টৰ পাৱাৰ

প্ৰেমে আজুৰি আনে হৃদয়ক
কবিতা গানৰ মধুময় জগতলৈ

শ্ৰোতাৰ প্ৰাণত গুঞ্জৰিত হয়
বৰলুইতৰ হিল্লোল

আহাচোন আমি আটায়ে
প্ৰেমৰ এটুপি ফটিকা খাওঁ
আৰু প্ৰাণভৰি জীৱনৰ
মাদকতাত হাঁহো আৰু নাচো।



## অন্ধকাৰত নিজৰ মুখ

দিনান্তত সূৰ্য্য গলি গলি গৈ
যেতিয়া তমসা নামে
অন্ধকাৰত লুকায় মুখ
আত্মাৰ আৰালত

অবিৰল অন্ধকাৰত বাটকুৰি বাই
পৃথিবীৰ বাটে বাটে
চাই ৰয় হৃদয়ে
ভয়াৰ্ত ত্ৰাসিত নয়নে
কলিঙ্গ, বিদিশা, পলাচীত ডুব যোৱা
সভ্যতাৰ বুৰঞ্জীক

গভীৰ ভয়েৰে আগবাঢ়ি
নিয়ৰৰ দৰে খুপি খুপি
অন্ধকাৰত বিচাৰো
আত্মাৰে প্ৰজ্জ্বলিত হেৰোৱা মুখ

আঘাত বৈ থকা যন্ত্ৰণাৰ মাজতো
মখামুখি হয় প্ৰেমৰ শীতল গম্ভীৰ স্তম্ভৰ
দুদণ্ড যেন শান্তি নামে
মুখামুখি ৰামপুৰৰ অপৰ্না ধৰ

শৰীৰৰ ৰোমকূপত এশ মাণিক জ্বলে
আকাশে বতাহে চুম্বনৰ শিহৰণ
অন্ধকাৰৰ পৰা ওলায় আহে নিজৰ মুখ
তমসা বিদীৰ্ণ হৃদয়ত মগ্ন হৈ
ছলছলাৎ কলৰৱে
ভাহি যায় মুখ স্ৰোতস্বিনী তৰঙ্গিনীত

আত্মাৰ দীপ জ্বলে
প্ৰেমৰ মনোময় দ্যুতিশিহৰিত দেহেৰে
আঁউসীৰ নিশাৰ দৰে
গম্ভীৰ চুলিটাৰি মেলি
মুখামুখি বহে
ৰামপুৰৰ অপৰ্ণা ধৰ।।

## সেউজীয়াবোৰৰ ছায়াই

সন্ধিয়াৰ হেঙুলীয়াখিনি
সোমাই যায় তাইৰ মাজলৈ

তাই সেউজীয়া ওঠ ওপোচাই
জোনাকক চুমা খাই

আমোলমোলাই যায়
পকাবেলৰ দৰে
মধুৰ এটা গোন্ধ

এছাটি সতেজ বতাহে উতলা কৰে
পৰ্বতৰ টিঙৰ শিমলু গছৰ
তুলাবোৰক

আঃ কেনে আলফুলকৈ সেউজীয়াবোৰৰ
মধুৰ ছায়াই
মোৰ হাত ধৰেহি



## গ্ৰন্থমেলা

গ্ৰন্থমেলালৈ গৈছিলানে ?
অসমীয়া প্ৰতিদিন'ৰ আড্ডাত
বৈচিত্ৰময় আড্ডা বহে তাত

লেখক পাঠকৰ আলাপ চলে
কবিয়ে কবিতা পঢ়ে
কবিতাই কিতাপ পঢ়ে
কফিৰ কাপত চুমুক দি
পাঠকে কয়
কিতাপৰ শৰীৰো যে
ইমান সুগঢ়ি
কিতাপ যে কফিৰ
কাপতকৈয়ো সোৱাদ

লেখকে স্তব্ধতাৰে
পাঠকক হৃদয়েৰে ধৰি
মেলাৰ পৰা ওভটে।।

## বন্ধ হওক উন্মাদ যুদ্ধ

*(২০ ফেব্ৰুৱাৰী, ২০০৩ চনৰ পৰা ইৰাকৰ ওপৰত হেৰা আমেৰিকান আক্ৰমণৰ বিৰুদ্ধে)*

ক্ষান্ত হোৱা হে যুদ্ধোন্মাদ
মানসিক ৰোগীসকল
তোমাৰ মাৰণাস্ত্ৰৰ উন্মাদ আঘাতে
নকৰে পৃথিবীৰ ক্ষমতাৰ সমীকৰণ

যুদ্ধৰ প্ৰতিটো হত্যাই
কাঢ়ি নিয়ে অলেখ পৃথিবীৰ
হাঁহি আৰু প্ৰেম
থৈ যায় গাঁৱে গাঁৱে
জুয়ে পোৰা পথাৰ

হৃদয়ত যুদ্ধৰ বহ্নিকুৰা লৈ ফুৰা
নাবালক মগজুৰ শ্বেতকায়
হে নপতাফুকন সকল
নামাতিবা অকাল মৃত্যুক
একোখন যুদ্ধ হোৱা মানে
হেজাৰ সূৰ্য্যৰ আৰ্ত্তনাদ
সন্তান হত্যা

একোখন যুদ্ধ হোৱা মানে
আক্ৰোশত ডেই পুৰি যোৱা
অবাধ্য শগুণৰ জাক

অৰ্থহীন যুদ্ধ হলে
সময় থমকি ৰয়
অৰ্থহীন যুদ্ধত
আধা লিখা হয়
শ্ৰেণী সংগ্ৰামৰ ইতিহাস

সেয়ে কাতৰ মিনতি তোমাক
সাতসাগৰ তেৰ নদীৰ পাৰৰ
ইলেক্ট্ৰনিক সভ্যতা



পৃথিবীখন আমাক সাৰটি লবলৈ দিয়া
কঢ়িয়াব পাৰো যেন আমি
আগৰ বছৰৰ দৰে
শীতৰ নিপীড়নৰ পাছত
উজ্জ্বল বসন্তৰ সংবাদ
পাৰো যেন কঢ়িয়াব
জীৱনৰ ইঙ্গিত প্ৰৱাহ।

## স্বাগতম্

*(অসমীয়া নতুন বছৰ উপলক্ষে)*

স্বাগতম্ হে নৱবৰ্ষ
স্বাগতম্ ! স্বাগতম্ !
নতুন বহাগ
স্বাগতম্ বিহুকুঁৱৰী সকল
স্বাগতম্ ঢুলীয়াকোঁৱৰ সকল
স্বাগতম্ নতুন কুঁহিপাত
স্বাগতম্ কপৌফুল
স্বাগতম্ তাতশালৰ
ফুলাম গামোছা
স্বাগতম্ বিহুৱতীৰ
কঁকালৰ মুগাৰ সাজ
স্বাগতম্ কুলিৰ মৌ সনা মাত
স্বাগতম্ বহাগৰ
উৎসৱ মুখৰ যৌৱন
স্বাগতম্ ঢোল, পেপা
টকাঁ, গগনা
স্বাগতম্
পদুলিমুখৰ হুচৰি
স্বাগতম্ নৱ প্ৰজন্ম

কিন্তু বিদায় তোমাক
পুৰণি বছৰ
বিদায় গছৰ সৰাপাত
বিদায় যুদ্ধোন্মাদ বৰ্বৰতা
বিদায় ধৰ্ষণ হত্যা
বিদায় সন্ত্ৰাস
বিদায় ! বিদায় !
আওপুৰণি ধৰ্মান্ধতা
তথাপি নকৰো বিদায় তোমাক
বয়োবৃদ্ধা
ককা-আইতাসকল



তোমালোকৰ জ্ঞানৰ বন্তিৰে
আলোকিত কৰি থৈ
যোৱা আমাক
যোৱাবছৰৰ দৰে এইবাৰো
বৈ যায় যেন
জীৱনৰ ইপ্সিত প্ৰবাহ

## সন্ধ্যাৰ আড্ডা

সন্ধ্যাৰ আড্ডাত
প্ৰায়ে নিমগ্ন হওঁ
প্ৰেম, ৰাজনীতি আৰু যুদ্ধক লৈ

আনন্দ, আনন্দ
এফালে বুদ্ধ, আনফালে গীতা
মাজত বিৰতি বিহীন নিস্তব্ধতা

প্ৰেমৰ সুগন্ধি বৈ যায়
গোট মৰা বৰফ যেনেকৈ তাপত গলে

পনীয়া জোলৰ দৰে
চকুৰ পতাৰ পৰা
জক্‌মক্‌কৈ সৰে
টোপ্‌টোপ্‌কৈ ৰাজনীতি আৰু যুদ্ধ

হৃদয়ৰ লেন্‌দেনত ৰপ্ত
কোনো সংবাদ সন্ধানীয়ে
খক্‌মক্‌কৈ লেফেফাত ভৰায়
হৃদয়ৰ বিনিময়বোৰ

দুৰ্বাদল চলে বাক্ বিতণ্ডা

ৰাতিৰ গভীৰতাই ঢাকে পৃথিবীক
চকুত ভাহি আহে
অদৃশ্য টোপনিৰ সুৰভি
সেৰেঙা চকুত তুলি লৈ
আন্ধাৰৰ লয়লাস
আগবাঢ়ো আপেক্ষাৰত
ঘৰৰ পদুলিলৈ



## তুমি আহিলেই আমোলমোলাই যায়

তুমি আহিছা!
তুমি আহিবা বুলি জানিছিলো
মোৰ প্ৰাণ পুতুলি

তুমি আহিলে
ক্ষন্তেকৰ বাবে হলেও
জীৱনৰ সকলো ৰহস্য
নিমিষৰ বাবেও নাইকীয়া হয়

সকলো দুখ ফুল হৈ ফুলে
সমগ্ৰ দিনৰ বতাহ ৰাতিৰ বতাহ
সুৰভিৰে আমোলমোলাই উঠে

তোমাৰ ওঠ দুখনিৰ
কঁপা কঁপা পৰশ বুলনিত
পলকতে পমি যায়
দৈনন্দিনতাৰ নিষ্ঠুৰ ভাগৰ

গুণগুণ তোমাৰ সুৰৰ গুঞ্জন
ছয়ামৱা তোমাৰ স্নিগ্ধ ভাৱনা
দুপৰীয়াৰ সূৰ্য্যৰ দৰে
জলমালাই উঠে
মোৰ হৃদয় বিলত

উপচি উঠে মোৰ ভালপোৱা
প্ৰেমৰ ৰাগীৰে ৰঙচুৱা হৈ উঠা
মোৰ হৃদয়খন
এটি সৰু নিজৰাৰ দৰে কলকলায়
উৰি যায় তাৰ পৰা
শুকুলা এটি ৰাজহাঁহ
আকাশৰ ওপৰলৈ
ডেউকাত তাৰ যৌৱনৰ
অসীম বাসনা

বসন্তত যেতিয়া সোণাৰু ফুলিব
তুমি আকৌ আহিবা

তোমাৰ বুকুৰ পদুমচাকত
মুখ থৈ
আমি পাহৰিম
দুপৰ আৰু জোনাকৰ
হৃদয় বিদাৰক দুখবোৰ



## ইছমাইল তুমি কুশলে থাকা
*(কবি ইছমাইল হোছেইনলৈ)*

ইছমাইল, যোৱা দেওবাৰে
তোমাৰ তালৈ গৈছিলো
কিন্তু তোমাক ঘৰত নেপালো
তোমাৰ পত্নীয়ে কলে
তুমি এখন কবি সন্মিলনলৈ গৈছা

তোমাৰ তাত সদায় যাবৰ মন যায়
কিন্তু মোৰ সময় কম
কৰ্মস্থলী আৰু সংসাৰৰ দায়বদ্ধতাই
মোক আৱদ্ধ কৰি থয়

তোমাৰ ঘৰৰ যিটো ৰূমত
ড্ৰইংৰূম বুলি বহিছিলো
কেউকাষে কিতাপৰৰ সুঘ্ৰাণে
মোক মতলীয়া কৰি তুলিছিল
আলমাৰীৰ পৰা কিতাপবোৰ
নামি আহি মোক যেন সুধিছে
তুমি কিমান কিতাপ পঢ়া
গৰ্বিত বুকুৰে শিৰ উচ্চ কৰি
মই তোমাৰ পত্নীৰ মুখলৈ চাইছিলো
প্ৰেমময় তেওঁৰ মুখ
তোমাৰ কৰ্ম্মৰাশিৰে পঞ্চমুখ

লেবেৰেটৰীৰ চাৰিবেৰৰ মাজত
কেতিয়াবা উইলছ ফ্লেগুৰ চিগাৰেট জ্বলাই
নাইবা একাপ কফি পান কৰি উঠি
যেতিয়া অনুবীক্ষণেৰে নিৰীক্ষণ কৰি থাকো
হেৰায় যায় কিতাপৰ সুঘ্ৰাণ

ইছমাইল তোমাক বিচাৰো মই
আচলতে কবিতাৰ বতৰা লবলৈ
হয় নৱকান্ত নহয় খলিল জিব্ৰান

হয় শঙ্খ ঘোষ নহয় সুভাষ মুখোপধ্যায়
কিন্তু তোমাক প্ৰায়ে ঘৰত নাপাও

তুমি হয়তো তেতিয়া সমীন্দ্ৰ হজুৰি
নাইবা শান্তনু শৰ্মাৰ কবিতাৰ আড্ডাত
ইছমাইল তোমাক সঘনে নেপালেও
তোমাৰ ৰাভা আৰু জ্যোতিৰ বাখ্যাই
মোক দৈনন্দিন আলোড়িত কৰে
তোমাৰ বাখ্যাই শৰীৰৰ সকলো সুক্ষ্ম ৰন্ধ্ৰলৈ
সুমুৱাই দিয়ে সুন্দৰতম গীত

ইছমাইল চান্দমাৰীৰ তোমাৰ দুচলীয়া ঘৰত
সুন্দৰ হওক তোমাৰ প্ৰতিটো দিন
সুখৰ হওক দিনবোৰ
তোমাৰ পত্নী আৰু অনুৰাগীৰ
স্বচ্ছ সুন্দৰ চমকিত দৃষ্টিত।

*ৰচনা কাল ২০-৩-২০০২*



## আহা গৱেষণাগাৰলৈ যাওঁ

আহা গৱেষণাগাৰলৈ যাওঁ
জীৱনৰ লগত সংলগ্ন কৰো জীৱনক
তেজৰ ৰঙত উজলি উঠক
সূৰ্য্য প্ৰতিভাত সময়

এচিড, এলকোহোল আৰু কম্পাউণ্ড
বিশ্লেষণ কৰি
বতাহত সিচি দিওঁ জীৱন

আহা অনুবীক্ষণত নিৰীক্ষণ কৰো
জীন, ক্ৰমোজম আৰু মগজুৰ নিউৰণ
আকাশে বতাহে সিচি দিও
জ্ঞানৰ গৰিমা
আহা আবেগক বশীভূত কৰি
বিজ্ঞানৰ শৃঙ্খলাৰে বান্ধো
প্ৰবাহিত সময়ক

আহা বিশাল হওঁ
অন্তৰে বাহিৰে বিয়পাওঁ
তাৰকা মণ্ডলীৰ পৰা অহা
মহাজাগতিক ৰশ্মিক

হৃত গৌৰৱ পুনৰুদ্ধাৰ কৰো
আৰু ভাবো মহাজীৱনৰ কথা

## আহা বিশালতৰ হওঁ

তোমাৰ জন্মত মোৰ পুলক
তোমাৰ বিজযত মোৰ গৌৰৱ
তোমাৰ ব্যাপ্তিত মোৰ আনন্দ

তোমাৰ দুখত মোৰ শোক
তোমাৰ চকুপানীত মোৰ ক্ৰন্দন
তোমাৰ বেদনাত মোৰ হতাশা

তোমাৰ উত্থানত  মোৰ আহ্লাদ
তোমাৰ গতিশীলতাত মোৰ জীৱন
তোমাৰ পতনত মোৰ মৃত্যু

আহা বিশালতৰ কৰা
মোৰ জীৱনক
কঠিনতা আৰু দৃঢ়তাৰে বান্ধা
মোৰ শৰীৰক
আহা মুক্তিৰহিত বিষয়ৰ পৰা
আতৰাই থওঁ জীৱনক
হাত গৌৰৱ পুনৰুদ্ধাৰ কৰি
বসন্ত আবেশেৰে
দাণ্ডি ধৰো প্ৰেমৰ নিদৰ্শন

ব'লা সমুদ্ৰৰ ফালে যাওঁ
আৰু বিশালৰ পৰা বিশালতৰ হওঁ।



## বিৰামহীন যাত্ৰা

অগণন মানুহৰ জীৱন যাত্ৰাৰ মাজত
মোৰ পালতৰা নাওঁখন
টুলুং ভুটুংকৈ আগবাঢ়িছে

জোৱাৰ ভাটাৰ লগে লগে
উঠা নমা কৰে  নাওঁখন
শঙ্কা হয় এই যেন
নাওঁৰ পালখন
খহি পৰিব

জনসমুদ্ৰ কিমান গভীৰ
এই সমুদ্ৰত সাতুৰি নাডুৰি
এটুপি দুটুপি
কঁপালৰ ঘাম মচিছো

কিছু স্পন্দন , কিছু আলোড়ন
শেষত নামি আহে চকুলৈ
টোপনিৰ পৰ্দা

আত্মাৰ  বিৰাম নাই
সাৰ পাওঁ
কাৰণ  "জীৱন এক সমুদ্ৰবাহী যাত্ৰা"

## ছিলঙত এদিন

ইমান সেউজ সানি সেউজীয়া হোৱা এই নগৰখনি
আনি দিলে মোৰ নিৰল প্ৰান্তত ঋত্বিক পূৰাৰ এক সুমধুৰ স্মৃতি

বনৰীয়া প্ৰাণৰ চঞ্চল শতাধিক ৰাতিৰ আকুল সুৰত
ই যেন কেশদাম মেলি শুই থকা সদ্য নতুন নিটোল নাৰী
নগৰৰ পথৰ নিয়ন লাইটৰ পোহৰে স্বপ্ন আনে ছন্দময়
আদিমতম পৃথিবীৰ আদাম ইভৰ সেই উদ্দাম প্ৰেমৰ

দোকমোকালিতে কংজনীয়ে মলয়াৰে সখী পাতি শুনি থাকে
কপৌহালিৰ মাত
এনেতে ওখ সৰলৰ সুৰুঙাৰে আহি প্ৰভাতী সূৰ্য্যই
আলফুলকৈ চুমা যাচি আবেশ ভাঙে কুমাৰী কঙৰ

তামোলৰ পিকেৰে ওঠ ৰঙোৱা কংজনীৰ স'তে
চাই থাকো যেতিয়া ওৱাৰ্ড লেকৰ অচিন অধৰ মায়া
শুনো হাঁহাকাৰ, ভাহি উঠে স্মৃতি মগ্ন চেতনাত
অনামিকা, মনিদীপা আৰু কত ইনা-মীনা-ৰিকাৰ

নিমিষতে স্বপ্ন নিকুঞ্জ ভাঙি ছিলঙৰ প্ৰেমত মতলীয়া হওঁ
মই যে হৃদয়বান, মই যে হৃদয়বান

সুদূৰৰ গাঁৱৰ জুইত জীৱনৰ শিখা কঁপে,
ধোঁৱাই বিচাৰি যায় আকাশৰ সীমা
কোন সেই অঘৰী যাৰ শ্বৰেটিত বাজে প্ৰাণ মতলীয়া হিয়া

আন্ধাৰ আকাশ! অলপতে নামি আহিব
কুঁৱলীৰ বুকু ফালি ডাৱৰৰ ঢল
নাচি উঠিব অৰণ্যৰ বনফুল, দেখিবা প্ৰতিটো
পাতৰ গাত পাহাৰী জুৰিৰ জোৱাৰ

নোৱাৰো বুজিব কুঁৱলীয়ে শুধ বগা সাজ পিন্ধায়
ঘনীভূত কৰা ছিলঙৰ ৰহস্যৰ
নোৱাৰো বুজিব অৰণ্যৰ প্ৰতি জোপা গছ
বজোৱা মুক্তিৰ কীচক বেণুৰ সুমধুৰ সুৰৰ
তুমিহে বুজিবা কঙ পথ কেনি দুৱাৰৰ
হে প্ৰেমিকা তুমি অপাৰ্থিৱ অমৰ।



## জীৱনে যেতিয়া হেৰুৱাই ছিল ঠিকনা

এনেদৰে যোৱা নাছিল সদায় শিবুৰ জীৱন
জীৱনৰ অৰ্দ্ধেক কাল উদৰ জ্বলিছিল
উদৰত জ্বালা লৈ তেওঁ ঘূৰি ফুৰিছিল
ৰাজপথত, ঘৰত

জীৱনৰ অহৰহ বিষাদ তীব্ৰতাই
লৈ গৈছিল নদীৰ পাৰলৈ শান্তিৰ বাবে
লৈ গৈছিল কবিতাৰ শব্দবোৰৰ মাজলৈ
কবিতাৰ বুকুত হাত সুমুৱাই ছুই আছিল
জুইসনা হৃদয়

ওচৰে পাজৰে দেখিছিল সংঘৰ্ষ আৰু আকাল
মানুহবোৰৰ কিছুমানক দেখিছিলো
হাতে হাতে লৈ এ কে ৪৭
স্পৰ্শ কৰিছে জুই

উদৰৰ জ্বালা লৈ কেতিয়াবা বৈ আছিল
থ্ৰি ষ্টাৰ হোটেলৰ সমুখত ভিক্ষাৰীৰ দৰে
কেতিয়াবা বৈ আছিল ৰেলৰ ষ্টেচনৰ
কেটাৰিঙৰ কাষত

গলিত হুমুনিয়াহ কাঢ়ি অযত্নে টোপনি গৈছিল
এই দৃশ্যত হতাহত হৈ মানুহবোৰ আতৰি গৈছিল
তেওঁৰ ওচৰৰ পৰা
আৰু আমাৰ চৌদিশ ভাঙি ছিঙি
বিষন্ন হৈ ছিটি কি পৰিছিল
আৰু আমি আশ্ৰয় লৈছিলো দুখৰ ঠিকনাত

## স্মৃতিয়ে টানি নিয়ে অহৰহ তেওঁৰ কাষলৈ

এটা দুখৰ গানেও অতি সহজে মোক
তেওঁৰ কাষলৈ টানি নিয়ে
যাৰ চুলিত প্ৰভাতী পখীৰ উমান পাওঁ

কঁপি থাকে গোটেই ৰাতি আৰু সন্ধিয়াটো
জিএন এজনীৰ মাতত

বৰষুণত তিতি চেঁচা বতাহ এজাক
নামি আহে
পুৰণি দিনবোৰ ঘুৰে ৰাতিৰ নক্ষত্ৰৰ দৰে

স্মৃতিৰ জুয়ে পোৰে
আৰু মনত পেলায় ৰঙীন দিনবোৰ
ৰঙীন ভালপোৱা
প্ৰেয়সীক, ফুলক, সাগৰক আৰু ৰমণীয় বতাহজাকক

ঘূৰাই পামনে পুনৰ
ৰজনীগন্ধাৰ মিশ্ৰিত সুবাস
হবনে প্ৰতিদিন আকৌ
জোনাক আৰু গানৰ আদিপাঠ

কপৌহালিয়ে হৃদয়ৰ খিৰিকীত
গুণ গুণায় আকৌ গাইছে
জীৱন এটা জিৰজিৰ নিজৰা
পাৰত তাৰ সেউজীয়া অৰণ্যৰ সুবাস



## বাৰুদৰ গোন্ধত এটা দিন আৰু ৰাতি

বৰ দুখেৰে গ'ল গোটেই দিনটো
আতংক গ্ৰস্ত হৃদয়েৰে
ঘূৰি ফুৰোতে হাটে বজাৰে
ভাহি আহিছিল কাতৰ আৰ্ত্তনাদ
বোমা বাৰুদেৰে বিদ্ধ শতজনৰ

বিস্ফোৰণ ঘটিছিল সাপ্তাহিক হাটত
ৰেল ষ্টেচনত, বাছত
আৰু মানুহবোৰ পিয়াপি দি
চাৰিওফালে ছিটিকি পৰিছিল

ক্ৰন্দনৰত আত্মীয়ৰ চকুপানীৰে
তিতিছিল ৰুমাল
বিভিন্ন চিকিৎসালয়ত, হেল্থ কেয়াৰত
আৰু মই দুখৰ চোলা পিন্ধি
সান্ত্বনা আৰু আশ্বাসৰ বাণী
শুনাইছিলো বিভিন্ন জনক

ৰক্তাক্ত হৃদয়েৰে যেতিয়া
উভটিছিলো ঘৰলৈ
চৰাইবোৰে নিৰাপত্তা বিচাৰি
আশ্ৰয় লৈছিল সিহঁতৰ বাঁহত
গোটেই ৰাতি হু-হুৱাই বৈছিল
দুখৰ হুমুনিয়াহ।

## স্বপ্ন, প্ৰেম আৰু হৃদয়াবেগ

মন স্বপ্নৰ নীৰৱ নদীত
হৃদয়ৰ গহীন গহ্বৰ ভেদি
ফাগুণৰ জোনাক বৈ যায়
সঙ্গীতৰ উতলা সুৰ হৈ

চুম্বন বিধুৰা বসন্ত ওপচা
প্ৰিয়াৰ সুৰ্য্য হেন অঙ্গীকাৰ
সঁচা হৈ ৰয় সময়ৰ আঁচোৰত

নিবিড় আলিঙ্গন, আবেগ
আৰু কাতৰ হাদয়ৰ মুগ্ধ নিৰ্য্যাস
বৈ ৰয় চিৰসত্য আনন্দৰ ৰূপ লৈ
চিৰকাল, চিৰদিন

স্বপ্ন, তৃষ্ণা, প্ৰেম আজি একাকাৰ
হৃদয়ত নক্ষত্ৰৰ আলোক স্পন্দন

আকাশৰো সীমানা পাৰ হৈ
অশ্বাৰোহী জীৱনে হাতবাউলি দিয়ে
অনন্ত অপাৰ গতিক



## বিষ্ণু ৰাভা

বিদ্যুৎ দ্যুতিৰে চমকিত
হলো আমি ৰাভাদেউ
তোমাৰ আয়তনহীন বিশালতাত

তুমি নাই
কিন্তু জ্বলি আছে বৰমাৰ সভাঘৰ
উজলিছে আজিও তেজপুৰৰ বাণ থিয়েটাৰ
বাগডুম্বাৰ চেৰে চেৰে
হওঁ আমি তালফাল

হে ফেৰেঙ্গাডাও
তুমি নাই
কিন্তু তোমাৰ প্ৰেৰণাতে
প্ৰান্তে প্ৰান্তে উৰিছে
ৰক্ত ৰঙা পতাকা
সেই পতাকা বুকুত সাৱটি
ক'তজনে গায়
ৰঙা গোলাপৰ দৰে গান

অঘৰী চিফুং প্ৰাণ মতলীয়া সুৰ
হে বিদ্ৰোহী
আহক তোমাৰ তমোহৰ দেউ তাণ্ডৱ নাচি
তুমি প্ৰতিবাদ বন্ধু
তোমাৰ স্বদেশ জীৰ্ণ দেখি
জাগক মহাসমুদ্ৰ কণ্ঠ
কেউদিশ জিনি

ৰাভাদেউ
তুমি আজিও বসন্তৰ দেৱদূত
কাল চকৰীয়ে যেতিয়া
স্তিমিত কৰে ঐক্যতান
তোমাৰ স্মৃতিৰ মৌচুমীয়ে
ৰুৱে তাত মুঠি মুঠি
শাওনৰ ধান

হতাশাৰে আৰৰা
এই ধৰণীত
চাওঁ মই হেপাহেৰে
হাঁহিৰ মুকুতা
তোমাৰ প্ৰাণত



# কবিতা আকৌ মোৰ ঘৰলৈ ঘূৰি আহিল

সাহস আৰু সম্ভাৱনাৰে দীপ্যমান
কবিতাজনী আকৌ মোৰ ঘৰলৈ ঘূৰি আহিল

ৰাতিপুৱাই তাই ওলাই গৈছিল
হালধীয়া পথাৰলৈ
এতিয়া তাই ধান দাই ঘৰলৈ উভটিছে
আঙুলিত তাইৰ ঘামৰ গোন্ধ
হাতৰ কাচিত জ্বলে জোন আৰু নক্ষত্ৰ

কবিতাজনীৰ সৈতে মই যিহেতু একাত্ম
কেউফালে মই ফৰিংফুটা দেখো
আচলতে একাত্ম হব নোৱাৰিলে
কোনেও কাকো নেদেখে
গুটি নুফুটে,
ৰাগি নুটুতে

কবিতাই নিঃশব্দে আহি মোৰ
শিমলুৰ ৰঙা পাহি বিচনা পাৰি দিয়েহি
তাই মোৰ প্ৰিয়াৰ ওঠ আৰু থুতুৰি
মই তাত নিতে চুমা খাওঁ

আৱৰ্ত্তনময় এক চকিত চমকৰ
নাম যদি প্ৰেম
কবিতাৰ বিস্তৃতি তেন্তে পাৰাপাৰহীন
যুগান্তৰ ব্যাপী

কবিতাক বুকুত সাৱটি
দুয়ো আমি হাঁহো ফিৰফিৰিয়া হাঁহি
সুৰৰ জখলাৰে প্ৰস্ফুটিত কৰো ৰাতি
উন্মোচিত হয় স্বাস্থ্যজ্বল সময়

কবিতাজনীৰ হৃদয় চুলেই
মোৰ মগজু হৈ পৰে
স্বৰ্ণোজ্জ্বল প্ৰতিভাৰ সময়

ৰাতিপুৱাই পদুলিৰ জপনা খুলি
পথৰ খলা-বমা নেওচি
কবিতাজনী ওলাই যাব
আৰু মই মগ্ন হৈ থাকিম
তাইৰ জীৱনত

তাইৰ জীৱনে নীলা আকাশ হৈ
মোক আগুৰি থাকিব
আৰু এখন এখনকৈ মোলৈ
আগবঢ়াই দিব তাইৰ প্ৰেমৰ
সুগন্ধি দুহাত
তাইৰ প্ৰেম মোৰ বাব
মনুষ্যত্বৰ এক আয়তনহীন জলাধাৰ



## আজি তোমাক মই সময় দিব নোৱাৰিম

নিলীমা, তুমি আজি মোক লগ পাবলৈ
মেজত চিঠি এখন লিখি থৈ গৈছিলা
কিন্তু আজি যে মই তোমাক সমূলি
সময় দিব নোৱাৰিম
আজিযে মোৰ ভীষণ ব্যস্ততা

টেবিলৰ জাপ জাপ চিঠিবোৰ
চোৱাৰ পাচতে মই শ্ৰেণীকোঠালৈ
যাব লাগিব
ঘূৰি আহি মোৰ বাবে বৈ থকা
ল'ৰাবোৰক
বিদ্যুৎ, বৰ্ণালী আৰু তৰঙ্গৰ
সঠিক জোখ-মাখ দিব লাগিব

তাৰ পাচতে আৰম্ভ হব
মোৰ গৱেষণাগাৰত
অত্যুৎসাহী অন্বেষণ
হাতৰ ফাকত হয়তো শেষ হব
উইলছ ব্ৰেণ্ডৰ ৰাশি ৰাশি চিগাৰেট

কিন্তু মোৰ অন্বেষণে
বীক্ষণাগাৰৰ বিয়াগোম ভাল্‌ভ,
ভেকুৱাম ইউনিউ, বিটাট্ৰনৰ মাজত
নো পোৱালৈকে সন্ধানৰ
সঠিক ঠিকনা
অক্লান্ত হৈ ৰ'ব

জানা নিলীমা
মই এতিয়া ~~এটা বিয়াগোম~~
শিক্ষানুষ্ঠানৰ ~~বিভাগীয় মুৰব্বী~~
কিমানৰ আশাক যে মই
ভাষা দিব লাগিব
কিমানৰ দিগ্‌বলয়ত
ৰঙা সূৰ্য্য আঁকি দিব লাগিব

মই যে ভীষণ ব্যস্ত নিলীমা
তোমাক আজি মই সময় দিব নোৱাৰিম
কথা দিছো অনাগত কোনো এটা দিনত
মই তোমাৰ পদুলিত ভৰি থম।



## আজি মই কবিতা লিখিম

আজি মই কবিতা লিখিম
ঘূৰি আহিছে তেজৰ সোঁতত
ছন্দ বৰ্ণৰ অপূৰ্ব বিন্যাস

কালি ওৰে ৰাতি পঢ়িছো
মন্ত্ৰ মুগ্ধৰ দৰে কবিতা
তাৰ ছন্দায়িত সুষমাই
আজি বলিয়া কৰিছে মোক

প্ৰাণত উৰ্বশী হৈ নৃত্যৰতা
কবিতাই গুণ গুণায় কৈছে মোক
তোমাৰ হৃদয়ৰ উজ্জ্বলতাৰে
উজ্জ্বল কৰা মোক
শৰীৰত ঢালি দিয়া
তেজৰ উষ্ণ শিহৰণ

মোৰ প্ৰাণৰ প্ৰাণময়তা
আৰু স্বতঃস্ফূৰ্ত্ত আবেদনে
কবিতাক কৰিব জীৱনময়

মোৰ কলমে কবিতাত আনিব
কুলিৰ মাধুৰী মাত
আৰু মই কুলীজনীৰ
গালে, মুখে, ওঠে
ঢালি দিম চুম্বন

আজি লিখা মোৰ কবিতাই
পৰিক্ৰমা কৰিব
এই পৃথিবীৰ হেজাৰ ক্ৰোশ বাট
য'ত অব্যাহত থাকিব
বাগিচাৰ সেউজীয়া
আৰু গানৰ সেউজীয়া
তাত চিৰজীৱি হব

মোৰ প্ৰেমিকাৰ ভুৱনভুলোৱা হাঁহি
আৰু ৰস
কবিতাক মই ভাল পাওঁ
যি ভাঙিব খোজে গঢ়িব খোজে
এক উদাৰ আশ্ৰয়



## মই তুলি ধৰো প্ৰেমৰ পতাকা

যেতিয়াই ৰক্তাক্ত আৰু
বিৱৰ্ণ হয় সময়
তেতিয়াই মই তুলি ধৰো
প্ৰেমৰ পতাকা

ৰক্ত বৰ্ণ ছন্দেৰে লিখো
প্ৰেমৰ কবিতা
দাঙি ধৰো মানুহৰ
জয়যাত্ৰাৰ অমল গাথা

মই এক জিৰণিবিহীন কবি
উপাসনা কৰো বিৱৰ্তন সভ্যতাৰ
বিপ্লৱ মোৰ কাব্যৰ ছন্দ
কবিতাতেই অৱগাহন কৰি
মই নিতে নৱজন্ম লওঁ

যেতিয়াই মৃত্যু ঘটে প্ৰমূল্যৰ
সৃষ্টিৰ কৃষ্ণৰ পাঞ্চজন্য বজায়
সচকিত কৰো নৱ প্ৰজন্মক

প্ৰেম মোৰ জীৱনৰ ছন্দ
বিপ্লৱ মোৰ প্ৰতিবাদৰ শঙ্খ
শব্দৰ চোকা তৰোৱাল লৈ
ঘুৰি ফুৰোঁ মই
কঙ্গো, ভিয়েৎনাম, পেলেষ্টাইনৰ
ৰণাঙ্গন
ছন্দায়িত জীৱনে মোৰ
কৰে মনুষ্যত্বৰ সাধনা
যুগ – যুগান্তৰ হওঁ যেন মই
নিষ্পেষিতজনৰ স্বাধীনতাৰ
প্ৰত্যাশা।

## মোৰ দেশ

পৰশুৰাম কুণ্ডৰ পৰা
সুদূৰ ভাৰত মহাসাগৰৰ মাজলৈ
উৎসাহী গতিৰে বৈ যোৱা
এইখনেই আমাৰ দেশ

নীলা পাহাৰ, তেজাল নদী
বহুমূলীয়া ৰেচমী দলিচা সদৃশ
এইখনেই আমাৰ সৰগ
এইখনেই আমাৰ নৰক

স্বাধীন বৃক্ষৰ দৰে
অকলশৰে জীয়াই থাকিও
সমবেত কণ্ঠেৰে গীত গাই
এই দেশৰ মানুহে কয়
একেলগে ভাইহত, একেলগে
সকলো কাম একেলগে

পাহাৰৰ পৰা নামি আহি
মাটিৰ বুকু ফালি
ধূলিস্যাৎ কৰা হওঁক
জনগণৰ শত্ৰুসৰক

দেশৰ সুন্দৰী নাৰীবোৰ
পুৰুষসকলৰ হাতত হাত ধৰি
ওলাই আহক
দুৱাৰ যদি মেল নাখায়
হাতুৰীৰে তাক খোলা যাওক
আৰু মানুহে মানুহক
গোলাম কৰাৰ সকলো
ষড়যন্ত্ৰ বন্ধ হওক

সবাতোকৈ কোমল আৰু কঠিন
সবাতোকৈ ৰঙীন আৰু ধূসৰ
সবাতোকৈ ভাল পোৱা
সবাতোকৈ মহীয়সী নাৰী



এইখন দেশ মোৰ স্বদেশ
আমাৰ দেশৰ মহামূল্যবান শৰীৰত আছে
এখনি ৰত্নখচিত প্ৰোজ্জ্বল হিয়া।

## ৰাতিৰ বেদনা

প্ৰিয় ধনঞ্জয়
মই আজি তোমাৰ ওচৰলৈ আহিছো
নোকোৱা দুখৰ কথা এটা কবলৈ

তিনিবাৰেই মানুহ এজনৰ সৈতে হৈছিল দেখা
তিনিবাৰেই সন্ত্ৰাসৰ আতঙ্ক
তেওঁৰ বৈঠকৰূমত আছিল এটা ষ্টেনগান
সংগ্ৰাম তেওঁৰ জীৱনত নাই
আতঙ্কই তেওৰ সংগ্ৰাম

তেওৰ পত্নীৰ সৈতে দেখা
হোৱাৰ লগে লগে
পত্নীয়ে ফেকুৰি উঠিছিল
মানুহজন খন্তেকৰ বাবে
ওলাই যোৱাৰ লগে লগে
পত্নীয়ে কৈছিল ন বছৰ ন মাহ হ'ল
প্ৰেমৰ চুম্বন মোৰ জীৱনত নাই
দুঃখ আৰু যন্ত্ৰণাই মোৰ জীৱন

তেওৰ ভাৱাক্ৰান্ত মুখটো
হাতৰ তলুৱাত লোৱাৰ লগে লগে
তেওঁ কান্দোনত ভাগি পৰিছিল

লাহে লাহে মূৰ দাঙি তেওঁ কৈছিল
সি মোক অহৰহ শাসন কৰে
মোৰ হাওফাওক মাজে মাজে
শূণ্যতালৈ দলিয়াই সি মগ্ন হয় খেলাত

মই মানুহজনীক মুচৰি খামুচি সি এখন
যন্ত্ৰণাৰ নৈৰ ফালে মোক খেদি লৈ যায়
মানুহজন ভিতৰলৈ অহাৰ লগে লগে
মোৰ উজ্জ্বল চকুজোৰত নতস্বৰ হ'ল মেধা
তেওৰ সন্দেহ আৰু পুনৰ সন্দেহ ভাৰৰ
অৱকাষত
তেওঁৰ ব্যাভিচাৰত আৰু আত্মশ্লাঘাত



মই যেন মৃত্যুৰ সতে সহবাস কৰিলো

তেওৰ বাৰম্বাৰ আত্মশ্লাঘাত
মই বাকৰুদ্ধ হৈ আতৰি আহিছিলো

প্ৰিয় ধনঞ্জয়
মানুহৰ প্ৰতি ভালপোৱাৰে
মোৰ হৃদয় উদ্‌বাউল
তোমাক জনোৱা কথাবোৰ
তিনিটি সন্ত্ৰাস জৰ্জৰিত ৰাতিৰ বেদনা।

## বিষন্নতা

আলিবাটৰ পৰা ভাহি আহে
"হৰিবোল, হৰিবোল"
ভাৱ হয় মোৰ জীৱনৰ যেন
কোনো জীৱন নাই

এতিয়া মোৰ আৰু মৃত্যুৰ মাজৰ
অস্তিত্বৰ একমাত্ৰ অৰ্থ নিসঙ্গতা
পূব, পশ্চিম যিফালেই চাও
দেখাতো নাপাও মোৰ জনমৰ
মৰমৰ ৰং

কঠুৱা, কঠিন শিলৰ
স্তব্ধতাৰ গভীৰতাৰ পৰা
ভাহি আহে ৰক্তাক্ত শব্দৰ শঙ্খ

অন্তৰ্দগ্ধ ৰাতিৰ নিসৰ্গত
দেখোঁ মোৰ আদি অন্ধত্ব

নিৰাশ চকুৰ অন্ধত্বৰ সিপাৰত
ৰাতিৰ ৰেলৰ বিষাদ চিৎকাৰ

মোৰ আইৰ চম্পাৰ ফুলনিখনৰ বাবে
আজিও আছে মোৰ প্ৰচণ্ড হুতাহ

ই জনমত মই যি দেখা পাই নগ'লো
পৰজনমত সেই বগা চৰাইটো হয়গৈ
যেন আকাশ
পৃথিৱীৰ সৰ্বত্ৰই এখন আকাশ।



## জয় জয়ন্তী

ৰূপহী মাজুলীত
ক'ৰে নাৱৰীয়া
তোৰ কঁপালৰ ঘামৰ টোপাল
জাহ যায় কোবাল সোঁতত

সাগৰ সংগম যেন বিশ্বব্যাপী
প্ৰসাৰিত তোৰ শক্তিৰ নিশ্বাস
লুপ্ত হওক তোৰ ভোগ বঞ্চনাৰ
যাত্ৰা য'ত বিৰতিতো নহয় স্তব্ধ
সেই যাত্ৰা হওক চিৰ স্পন্দিত

পৃথিবীত প্ৰথম নৈ সৃষ্টি হোৱাৰে পৰা
সেই জুই চুৰ কৰি অনাৰে পৰা
তই কাকো কাহানিও ভুল কৰা নাই
কাহানিও গোপন কৰি ৰখা নাই

ছাঁ জুই খেদি তই ঢপলিওৱা নাই
পাথৰটো যেনেদৰে ওখ হৈ গৈ আছে
তেনেদৰেই নদীৰ মাজৰ পৰ্বতৰ টিঙত
তই ওখ হৈ থাকিবি

সকলোৰে কব "জয় জয়ন্তী"

## প্ৰেয়সী

মোৰ প্ৰেয়সীৰ ওঠত বন্দী
মোৰ কঠুৰা ওঠ দুটা

মোৰ হাতদুখন
তেওঁৰ তৰাৰ দৰে জ্বলিথকা
স্তনযুগলত

মহান সুপ্তিৰ সপোনত
মই যেতিয়া মগ্ন হৈ থাকো
অন্ধকাৰকো ফালি
তেওঁ জ্বলাই প্ৰেমৰ শলিতা

তেওঁৰ ওঠ, জননাংগ
আৰু কোমল আত্মাই
বিয়পাই ৰহস্যময়
শ্যামল বননিৰ
বিশাল নৈসৰ্গ

তেওঁ মোক মৰিবলৈ নিদিয়ে
ভাগ্যবানসকলৰ দৰে
মৰিশালীৰ বতাহৰ মাজতো
সেয়ে মই শুনো
জলকুঁৱৰীৰ গান
ওমলি ফুৰো
মানুহৰ হাঁহিৰ বাগিচাত



## মই মোৰ মাজত

মই মোক বিচাৰি পাইছো
যেনেকৈ যুদ্ধৰ আগতে
বিচাৰি পোৱা যায় সৈনিকক
বৰটোপটো ফুটাৰ আগতে
বিচাৰি পোৱা যায় খাৰ বাৰুদ
প্ৰেয়সীৰ চুম্বনত বিচাৰি
পোৱা যায় প্ৰেম

মই মোক বিচাৰি পাইছো
নদীত গান গাই যোৱা
নদীয়াল জনৰ মাতত
আকাশত নাচি থকা
তৰাজাকৰ অৰণ্যত
আৰু সোঁৱৰণীৰ সাগৰ যেন
জোনাকী বাটত

মই মোক বিচাৰি পাইছো
সেয়ে মোৰ ওঠত এতিয়া
বৈ থাকে হাঁহি
যি প্ৰতিফলিত হয় দূৰৈৰ পৰ্বতত
সেউজীয়াত
জোনাকৰ ৰূপালী পৰ্দাত

মোৰ চোতালত এতিয়া তুমি
বিচাৰিলেই পাবা যুতিমালতীৰ গোন্ধ
শেৱালীৰ সৌৰভ
আৰু নাহৰ চম্পাফুলৰ সুঘ্ৰাণ

মোৰ নীৰৱতম প্ৰতিটো মূহুৰ্ত্ত
এতিয়া এটা উৎকণ্ঠ শংখ
কেউফালে সাতবৰণীয়া ৰামধেনু
আৰু সেউজীয়া পাহাৰ
থিয় হৈ আছো যেন
পৃথিবীৰ মাজ-মজিয়াত

## নাৰী

নাৰীৰ সকলো ৰহস্যময়তাৰে
তাই মোৰ কাষ চাপি আহিছিল
মোৰ ভাৱ হ'ল
তাইৰ চুলিৰ আন্ধাৰত
সপোন যেন সাৰ পাই উঠিছে

প্ৰেমিক সুহুৰি এটাই
নিজান বাটত গান গাই উঠিছে

মোৰ তেজত মাটিৰ স্নেহ
আকাশৰ ডাৱৰৰ টুকুৰাৰ পৰা
সৰি পৰে বৰষুণৰ টোপাল
ফুলৰ পাপৰি আৰু নিমজ হয়
আৰু তাই
মৰমৰ বিচনীৰে বা দি
শুৱলৈ দিয়ে মোক বিচনাত

সপোনত দেখো মই তেজীমলা
ৰহস্যৰ পাপৰিত আৰু কোমলতা সানি
তাই বাট চাই থাকে সাউদৰ ডিঙৰালৈ।



## তিনিটা কবিতা
*(চীনা কবিতাৰ অনুকৰণত)*

(১)
ক'ৰপৰা ওলালহি ইমান
ধুনীয়া এটা কবিতা

কেউদিশে দেখো
বসন্তৰ ফুলেৰে মতলীয়া

সখীয়তী, পাটমাদৈ চৰাইবোৰো
দেখোন আপোনপাহৰা

প্ৰাণৰ বালিমাহীত
তোমাৰ অমলিন হৃদয়
বনৰীয়াঁ হাঁহবোৰ উভটি
অহাৰ সময়তেই আহিবা দেই
সোণপাহী মোৰ

ছন্দৰ জালেৰে তোমাক
মই থেকেচি পেলাম
আৰু প্লামগছৰ ফুলেৰে
তোমাক ঢাকি থম।

(২)
**জীৱন আৰু কবিতা**

জীৱনে সঘনে নানে
এনে এক সৌন্দৰ্য্য

ফুলবোৰৰ সুবাস ইমান নিৰ্মল
যে প্ৰায় তিনিহেজাৰ সোণৰ মুদ্ৰাৰ সমান

পৃথিবীত আমাৰ জীৱনটোনো কি ?
এজাক উৰণীয়া ৰাজহাঁহ নহয়নে

ক্ষন্তেক জিৰণি লৈ পঁজাৰ পিৰালিত
আহা আমি আমাৰ কবিতাবোৰ লিখোঁ

ফুলেৰে গছবোৰ ৰমকজমক
আৰু পাহাৰবোৰো সেউজীয়া

ঘন সুগন্ধি কুঁৱলীত ভাহে
ওলাই অহা জোনৰ পোহৰ

অহা বছৰ ক'ত পাম চাগে
আকৌ এনেদৰে জোনটোক

(৩)

**জোনাক আৰু বসন্ত**

জোনাক আছিল তাত
গছবোৰত ফুল ফুলি আছিল
মোৰ আত্মাই বিচৰণ কৰিছিল
ফুল আৰু জোনাকৰ
বসন্তৰ মাজত

জুৰ বতাহত হালে জালে
বহল সেউজীয়া পাত
জিৰজিৰিয়া সুগন্ধি বতাহে
কঁপাই যোৱা
ফুলবোৰৰ মাজেৰে
ডাৰ মাৰি মই গৈ থাকো।